# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 26-09-2025
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। গোলকীয় বিনিয়োগকাৰী বিশেষকৈ খাদ্য খণ্ডৰ বিনিয়োগকাৰীসকলে ভাৰতলৈ আশাৰে চাইছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱন সাংস্কৃতিক কেন্দ্ৰত সন্মানীয় ৰাষ্ট্ৰীয় ভূ-বিজ্ঞান বঁটা, ২০২৪ প্ৰদান কৰিব।

৩। প্ৰধানমন্ত্ৰীয়ে আজি ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰ জৰিয়তে বিহাৰত মুখ্যমন্ত্ৰী মহিলা ৰোজগাৰ যোজনা মুকলি কৰিব।

৪। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয়, যে ৰাষ্ট্ৰীয় হাইড্ৰ'জেন অভিযানৰ জৰিয়তে শূন্য কাৰ্বন নিৰ্গমনৰ লক্ষ্য প্ৰাপ্তি কৰিবলৈ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। *আৰু*

৫। এছিয়া কাপ টি-২০ ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা ডুবাইত অনুষ্ঠিত ছুপাৰ ফ'ৰ পৰ্যায়ৰ এখন খেলত পাকিস্তানে বাংলাদেশক ১১ ৰানত হৰুৱাই ফাইনেলত নিজৰ স্থান নিশ্চিত কৰিছে।

ooooo

গোলকীয় বিনিয়োগকাৰী বিশেষকৈ খাদ্য খণ্ডৰ বিনিয়োগকাৰীসকলে ভাৰতলৈ আশাৰে চাইছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। নতুন দিল্লীত কালি বিশ্ব খাদ্য ভাৰত ২০২৫ শীৰ্ষক কাৰ্যসূচীত অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে শক্তিশালী ঘৰুৱা চাহিদাই ভাৰতক বিনিয়োগকাৰীসকলৰ বাবে পছন্দৰ ঠাই হিচাপে গঢ়ি তুলিছে। ২১ শতিকাৰ প্ৰত্যাহ্বানসমূহৰ কথা স্বীকাৰ কৰি শ্ৰী মোদীয়ে কয়, যে যেতিয়াই গোলকীয় প্ৰত্যাহ্বানৰ উত্থান হৈছে তেতিয়াই ভাৰতে এটা ইতিবাচক ভূমিকা পালন কৰি আহিছে। ভাৰতে গোলকীয় খাদ্য সুৰক্ষাৰ দিশত নিৰন্তৰ সক্ৰিয়ভাৱে অৰিহণা যোগাই আহিছে বুলিও তেওঁ উল্লেখ কৰে। শ্ৰী মোদীয়ে কয়, যে বিশ্বত শস্যৰ সংকট অথবা যোগান শৃংখলা বিঘ্নিত হোৱাৰ সময়ত ভাৰতে সদায় দৃঢ়তাৰে নিজৰ দায়িত্ব পালন কৰিছে। গোলকীয় প্ৰেক্ষাপটত নিজৰ সামৰ্থ আৰু অৰিহণাৰ প্ৰসাৰ কৰিবলৈ ভাৰত প্ৰতিশ্ৰুতিবদ্ধ বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে চৰকাৰে প্ৰতিজন অংশীদাৰীক সামৰি লৈ সমগ্ৰ খাদ্য আৰু পৰিপুষ্টি পৰিস্থিতিতন্ত্ৰকে শক্তিশালী কৰি তুলিছে।

প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে ভাৰত হৈছে বিশ্বৰ তৃতীয় সৰ্ববৃহৎ ষ্টাৰ্টআপ পৰিস্থিতিতন্ত্ৰ আৰু ইয়াৰে ভালেসংখ্যক ষ্টাৰ্টআপে খাদ্য আৰু কৃষি খণ্ডত কাম কৰি আছে। তেওঁ লগতে কয়, যে বিগত ১০ বছৰত দেশৰ ২৫ কোটি লোক দৰিদ্ৰতাৰ পৰা মুক্ত হৈছে। এই খণ্ডত কৃত্ৰিম বুদ্ধিমত্তা, ই-বাণিজ্য, ড্ৰোণ আৰু বিভিন্ন এপৰ প্ৰয়োগেৰে

যোগান শৃংখলা, খুচুৰা বজাৰ আৰু প্ৰসংস্কৰণ ব্যৱস্থাৰ পৰিৱৰ্তন কৰা হৈছে বুলি শ্ৰী মোদীয়ে উল্লেখ কৰে। তেওঁ লগতে কয়, যে ক্ষুদ্ৰ কৃষকসকল বজাৰত এটা গুৰুত্বপূৰ্ণ অংশ হৈ পৰিছে আৰু চৰকাৰে এই ক্ষুদ্ৰ কৃষকসকলৰ সহায়ৰ বাবে ভালেমান নীতি নিৰ্ধাৰণ কৰিছে। ভাৰতৰ সমবায়সমূহে দুগ্ধ খণ্ড আৰু গ্ৰাম্য অৰ্থনীতিক নতুন শক্তি প্ৰদান কৰিছে বুলিও প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে।

চাৰিদিনীয়াকৈ আয়োজন কৰা বিশ্ব খাদ্য ভাৰত কাৰ্যসূচীত খাদ্য প্ৰসংস্কৰণ খণ্ড, খাদ্য বহনক্ষমতা তথা পুষ্টিকৰ আৰু জৈৱিক খাদ্যৰ উৎপাদনৰ ক্ষেত্ৰত ভাৰতৰ সামৰ্থক প্ৰদৰ্শন কৰা হৈছে। এই কাৰ্যসূচীয়ে খাদ্য প্ৰসংস্কৰণৰ দিশত ভাৰতৰ ৰূপান্তৰমূলক যাত্ৰাক প্ৰদৰ্শন কৰাৰ লগতে আন্তঃৰাষ্ট্ৰীয় সহযোগিতা আৰু বিনিয়োগৰ সুযোগ বৃদ্ধি কৰিব।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱন সাংস্কৃতিক কেন্দ্ৰত আয়োজিত এটা অনুষ্ঠানত সন্মানীয় ৰাষ্ট্ৰীয় ভূ-বিজ্ঞান বঁটা, ২০২৪ প্ৰদান কৰিব। ৰাষ্ট্ৰীয় ভূ-বিজ্ঞান বঁটা দেশৰ পুৰণি আৰু সন্মানীয় বঁটাসমূহৰ ভিতৰত অন্যতম। ভূ-বিজ্ঞানৰ বিভিন্ন ক্ষেত্ৰত অসাধাৰণ কৃতিত্ব আৰু অৱদান আগবঢ়োৱাৰ বাবে ব্যক্তিগত আৰু দলীয়ভাৱে এই সন্মান আগবঢ়োৱা হয়। খনি মন্ত্ৰালয়ে প্ৰত্যেক বছৰে তিনিটা শাখাত এই বঁটাসমূহ প্ৰদান কৰে। এই বঁটাসমূহ হৈছে – আজীৱন কৃতিত্বৰ বাবে ৰাষ্ট্ৰীয় ভূ-বিজ্ঞান বঁটা, ৰাষ্ট্ৰীয় ভূ-বিজ্ঞান বঁটা আৰু ৰাষ্ট্ৰীয় যুৱ ভূ-বিজ্ঞানী বঁটা।

অনুষ্ঠানত কেন্দ্ৰীয় কয়লা আৰু খনি মন্ত্ৰী জি কিষাণ ৰেড্ডী আৰু ৰাজ্য মন্ত্ৰী সতীশ চন্দ্ৰ ডুবেও উপস্থিত থাকিব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰ জৰিয়তে বিহাৰত মুখ্যমন্ত্ৰী মহিলা ৰোজগাৰ যোজনা মুকলি কৰিব। শ্ৰী মোদীয়ে লগতে ৰাজ্যখনৰ ৭৫ লাখ মহিলাৰ বেংক একাউণ্টলৈ প্ৰত্যক্ষভাৱে ১০ হেজাৰ টকাকৈ হস্তান্তৰ কৰিব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ে প্ৰকাশ কৰা এখন বিজ্ঞপ্তি অনুসৰি মহিলাসকলক আত্মনিৰ্ভৰশীল কৰি তোলাৰ লগতে স্বনিয়োজন আৰু জীৱিকাৰ সুবিধা প্ৰদানৰ জৰিয়তে তেওঁলোকৰ সৱলীকৰণৰ উদ্দেশ্যে বিহাৰ চৰকাৰে এই পদক্ষেপ গ্ৰহণ কৰিছে। এই যোজনাৰ জৰিয়তে বিভিন্ন আত্মসহায়ক গোটৰ সৈতে হিতাধিকাৰী মহিলাসকলক সংযোগ কৰাৰ লগতে তেওঁলোকক আৰ্থিক সাহায্য আৰু প্ৰশিক্ষণ প্ৰদানৰ ব্যৱস্থা কৰা হ'ব।

ooooo

কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয়, যে ৰাষ্ট্ৰীয় হাইড্ৰ'জেন অভিযানৰ জৰিয়তে শূন্য কাৰ্বন নিৰ্গমনৰ লক্ষ্য প্ৰাপ্তি কৰিবলৈ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। তেওঁ কয়, যে এই অভিযানৰ অধীনত সেউজ শক্তিৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰা হৈছে। সেউজ পৰিবহন আৰু বহনক্ষম বন্দৰ কাৰ্যৰ দিশত গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কালি মুম্বাইৰ জৱাহৰলাল নেহৰু বন্দৰ প্ৰাধীকৰণত কেইবাখনো বৈদ্যুতিক ট্ৰাক মুকলি কৰে। তেওঁ কয়, যে চৰকাৰে ভাৰতক বিশ্বৰ শীৰ্ষ জাহাজ নিৰ্মাণকাৰী ৰাষ্ট্ৰসমূহৰ মাজৰ এখন হিচাপে গঢ়ি তোলাৰ লক্ষ্যৰে সামুদ্ৰিক ভাৰত দৰ্শন ২০৩০ আৰু সামুদ্ৰিক অমৃতকাল দৰ্শন ২০৪৭ৰ ক্ষেত্ৰত কাম কৰি আছে। তেওঁ লগতে কয়, যে ২০৩০ চনৰ ভিতৰত ভাৰত ১০ খন শীৰ্ষ জাহাজ নিৰ্মাণকাৰী ৰাষ্ট্ৰৰ মাজত স্থান লাভ কৰিব আৰু ২০৪৭ চনৰ ভিতৰত এই স্থান শীৰ্ষ পাঁচলৈ উন্নীত হ'ব। শ্ৰী সোণোৱালে কয়, যে বিগত

১১ বছৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত দেশৰ উল্লেখনীয় বিকাশ হৈছে আৰু সামুদ্ৰিক আৰু অৰ্থনৈতিক বিকাশৰ বাবে বিশ্বৰ মনোযোগ আকৰ্ষণ কৰিবলৈ সমৰ্থ হৈছে।

০০০০০

মণিপুৰৰ ইম্ফলত থকা ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয়ত কালি **আত্মনিৰ্ভৰ ভাৰত সংকল্প, হৰ ঘৰ স্বদেশী-ঘৰ ঘৰ স্বদেশী** অভিযানৰ শুভাৰম্ভ কৰা হয়। পণ্ডিত দীনদয়াল উপাধ্যায়ৰ জয়ন্তীৰ সৈতে সংগতি ৰাখি শুভাৰম্ভ কৰা এই অভিযান প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ জয়ন্তী- ২৫ ডিচেম্বৰলৈ চলিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মেক ইন ইণ্ডিয়া আৰু লোকেল ফ'ৰ ভোকেলৰ আদৰ্শ প্ৰসাৰৰ উদ্দেশ্যে এই অভিযান মুকলি কৰা হৈছে।

এই অভিযানৰ অংশ হিচাপে থলুৱা সামগ্ৰীৰ উৎপাদন প্ৰসাৰৰ উদ্দেশ্যে ঠায়ে ঠায়ে বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হ'ব। কালি এই যোজনাৰ শুভাৰম্ভ অনুষ্ঠানত সাংসদ তথা মণিপুৰ প্ৰদেশ বিজেপিৰ সভাপতি এ সাৰদা দেৱীৰ লগতে বহুতো দলীয় কৰ্মকৰ্তা উপস্থিত থাকে।

০০০০০

মিজোৰামৰ লুংলেই চহৰত চলি থকা 'Book Nest Initiative' ৰ অধীনত এতিয়ালৈকে ছহেজাৰৰো অধিক গ্ৰন্থ সংগ্ৰহ কৰা হৈছে। ছাত্ৰ-ছাত্ৰীসকলৰ সহায়ক হোৱাকৈ লুংলেইৰ উপায়ুক্তই শুভাৰম্ভ কৰা এই অভিযানৰ জৰিয়তে জনসাধাৰণৰ অংশগ্ৰহণেৰে বিভিন্ন গ্ৰন্থ সংগ্ৰহৰ লক্ষ্য লোৱা হৈছে। যোৱা ৮ ছেপ্তেম্বৰত এই অভিযান মুকলি কৰা হৈছে। ইয়াৰ অধীনত ঘৰে ঘৰে গৈ বিভিন্ন স্তৰৰ পাঠ্যক্ৰমৰ লগতে উপন্যাস আৰু অধ্যয়নৰ অন্যান্য সামগ্ৰী সংগ্ৰহৰ ব্যৱস্থা কৰা হৈছে। গ্ৰন্থ সংগ্ৰহৰ প্ৰক্ৰিয়াটো সম্পূৰ্ণ হোৱাৰ পাছত সেইসমূহ নিৰ্বাচিত ৬০ খন চৰকাৰী বিদ্যালয়লৈ প্ৰদান কৰা হ'ব।

০০০০০

এছিয়া কাপ টি-২০ ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা ডুবাইত অনুষ্ঠিত ছুপাৰ ফ'ৰ পৰ্যায়ৰ এখন খেলত পাকিস্তানে বাংলাদেশক ১১ ৰানত হৰুৱাই ফাইনেলত নিজৰ স্থান নিশ্চিত কৰিছে। এই জয়ৰ সুবাদত অহা দেওবাৰে হ'বলগীয়া প্ৰতিযোগিতাৰ ফাইনেলত পাকিস্তান ভাৰতৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। উল্লেখযোগ্য যে, সপ্তদশবাৰৰ বাবে অনুষ্ঠিত এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাত প্ৰথমবাৰৰ বাবে ভাৰত আৰু পাকিস্তান ফাইনেলত মুখামুখি হ'ব।

কালি পাকিস্তানে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৮ উইকেটৰ বিনিময়ত ১৩৫ ৰান সংগ্ৰহ কৰে। দলৰ হৈ মহম্মদ হেৰিছে ৩১ আৰু মহম্মদ নাৱাজে ২৫ ৰান কৰে। প্ৰত্যুত্তৰত বাংলাদেশে জয়ৰ চেষ্টা চলাই যদিও পাকিস্তানৰ সুন্দৰ বলিঙৰ সন্মুখত বাংলাদেশৰ বেটিং লাইন বিধবস্ত হৈ পৰে। দলটোৱে ৯ উইকেটৰ বিনিময়ত ১২৪ ৰানহে কৰিবলৈ সমৰ্থ হয়। পাকিস্তানৰ ছাহিন আফ্ৰিদিক বেটিং আৰু বলিঙত কৰা সুন্দৰ প্ৰদৰ্শনৰ বাবে প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

ইপিনে ফাইনেলৰ পূৰ্বে ছুপাৰ ফ'ৰ পৰ্যায়ৰ আন এখন খেলত আজি ভাৰত শ্ৰীলংকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ পূৰ্বে কালি বাংগালুৰত অনুষ্ঠিত এখন ৱাৰ্মআপ খেলত ইংলেণ্ডৰ বিৰুদ্ধে ভাৰত ১৫৩ ৰানত পৰাজিত হয়। খেলখনত ইংলেণ্ডে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ৫০ অভাৰত ৯

উইকেটৰ বিনিময়ত ৩৪০ ৰান সংগ্ৰহ কৰে। দলৰ হৈ অধিনায়ক নেট স্কাইবাৰ ব্ৰণ্টে সৰ্বাধিক ১২০ ৰান আৰু এন্মা লেম্বে ৮৪ ৰানৰ বৰঙণি আগবঢ়ায়।

প্ৰত্যুত্তৰত ভাৰতে ৩৪ অভাৰতে আটাইকেইটা উইকেট হেৰুৱাই মাত্ৰ ১৮৭ ৰানহে কৰিবলৈ সমৰ্থ হয়। জেমিমা ৰডৰিগ্‌ছে সৰ্বাধিক ৬৬ ৰান কৰে। ইংলেণ্ডৰ হৈ লিন্‌ছে স্মিথ আৰু ছ'ফি একলেষ্টনে দুটাকৈ উইকেট লাভ কৰাৰ বিপৰীতে ভাৰতৰ হৈ ক্ৰান্তি গৌড়ে তিনিটা উইকেট দখল কৰে। ভাৰতে নিজৰ দ্বিতীয়খন ৱাৰ্মআপ খেল কাইলৈ নিউজিলেণ্ডৰ বিৰুদ্ধে খেলিব। দলটোৱে অহা মঙলবাৰে গুৱাহাটীত হ'বলগীয়া মহিলা বিশ্বকাপ ক্ৰিকেটৰ নিজৰ উদ্বোধনী খেলখনত শ্ৰীলংকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

*সমাপ্ত*